# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-06-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ধুবুৰীৰ আৰৰ্ত ভৱনত জিলা প্ৰশাসনৰ বিষয়াসকলৰ সৈতে জিলাখনৰ আইন-শৃংখলা পৰিস্থিতিৰ পৰ্যালোচনা কৰে। বিগত কেইবাদিনো ধৰি ধুবুৰীৰ পৰিস্থিতি অশান্ত হৈ থকাৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীয়ে জিলা প্ৰশাসনক শান্তি শৃংখলা অটুট ৰখাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। ড০ শৰ্মাই জনসাধাৰণৰ সৈতে মত বিনিময় কৰি জিলাখনত স্বাভাৱিক অৱস্থা ঘূৰাই আনিবলৈ ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰতিশ্ৰুতিৰ বিষয়ে উল্লেখ কৰে। তেওঁ লগতে শান্তি ঘূৰাই অনাৰ বাবে অতিৰিক্ত নিৰাপত্তা বাহিনী নিয়োজিত কৰাৰ বিষয়েও সদৰি কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ধুবুৰীৰ হনুমান মন্দিৰৰ চৌহদ পৰিদৰ্শন কৰি ইয়াৰ উন্নয়নৰ বাবে প্ৰয়োজনীয় চৰকাৰী সাহায্যৰ আশ্বাস দিয়ে। ড০ শৰ্মাই জিলাখনত যিকোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টিকাৰীক দেখা মাত্ৰেই গুলীচালনা কৰিবলৈ প্ৰশাসনক কঠোৰভাৱে নিৰ্দেশ দিয়ে।

০০০০০

গুজৰাট সন্ত্ৰাসবাদ বিৰোধী স্কোৱাড, এ টি এছৰ দলে আহমেদাবাদৰ বিমান দুৰ্ঘটনা সংঘটিত হোৱা স্থানৰ পৰা এটা ডিজিটেল ভিডিঅ' ৰেকৰ্ডাৰ আজি উদ্ধাৰ কৰে। বিমান কৰ্তৃপক্ষই  এতিয়ালৈকে দুৰ্ঘটনাগ্ৰস্ত বিমানখনৰ ব্লেকবক্স উদ্ধাৰ কৰা সন্দৰ্ভত কোনো ধৰণৰ আনুষ্ঠানিক ঘোষণা কৰা নাই। সম্প্ৰতি এই দুৰ্ঘটনাৰ তদন্ত অব্যাহত আছে আৰু নিৰাপত্তা সংস্থাসমূহে সেই স্থানত সক্ৰিয়ভাৱে অভিযান চলাই আছে। তদন্তত সহায়ৰ বাবে ফৰেন্সিক বিশেষজ্ঞৰ এটা দলেও সহযোগ কৰিছে। আহত লোকসকলৰ জীৱন বচোৱাৰ আশাৰে বহু সংখ্যক লোকে অসামৰিক চিকিৎসালয়ত  ৰক্তদান কৰিবলৈ অহাৰ কথা আহমেদাবাদৰ আকাশবাণীৰ সংবাদদাতাই প্ৰকাশ কৰিছে। সেনা বাহিনীয়ে আহমেদাবাদৰ সামৰিক  কেণ্টনমেণ্টত ৰক্তদান শিবিৰৰ আয়োজন কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱা আহমেদাবাদৰ অসামৰিক চিকিৎসালয়ত উপস্থিত হৈ এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাত আহত লোকসকলৰ অৱস্থাৰ বুজ লয়। প্ৰধানমন্ত্ৰীয়ে বিমান দুৰ্ঘটনাটোত প্ৰাণ ৰক্ষা পৰা একমাত্ৰ ব্যক্তি ভাৰতীয় মূলৰ ব্ৰিটিছ্ নাগৰিক বিশ্বাস কুমাৰ ৰমেশকো স্থানীয় এখন চিকিৎসালয়ত সাক্ষাৎ কৰে। শ্ৰী ৰমেশে পাছত তেওঁৰ প্ৰাণৰক্ষা পৰা সেই শ্বাসৰুদ্ধকৰ অভিজ্ঞতাৰ বিষয়ে বৰ্ণনা কৰে। শ্ৰী মোদীয়ে বিমানখন দুৰ্ঘটনাগ্ৰস্ত হোৱা স্থানো পৰিদৰ্শন কৰে। তেওঁ কালিৰ বিমান দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীৰ পৰিয়ালকো সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ মৃত্যুত শোক প্ৰকাশ কৰি প্ৰত্যাহ্বানপূৰ্ণ সময়ত শ্ৰী ৰূপানীৰ সৈতে একেলগে কাম কৰাৰ কথা উল্লেখ কৰে। শ্ৰী মোদীয়ে আজি আহমেদাবাদত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকতো অংশগ্ৰহণ কৰে।

আকাশবাণীৰ সংবাদদাতাই প্ৰকাশ কৰা মতে চিনাক্ত হোৱা মৃতদেহসমূহ মৰনোত্তৰ পৰীক্ষা সম্পন্ন কৰাৰ পাছত পৰিয়ালক গতাই দিয়া কাম আৰম্ভ কৰা হৈছে। বৰ্তমানলৈ ছটা মৃতদেহ পৰিয়ালৰ সদস্যক গতাই দিয়া হৈছে।

উল্লেখযোগ্য যে, এয়াৰ ইণ্ডিয়াৰ বয়িং 787-8 শ্ৰেণীৰ বিমানখন কালি দুৰ্ঘটনাত পতিত হোৱাৰ ফলত চালক দলৰ সদস্যকে ধৰি ২৪১ গৰাকী আৰোহীয়ে প্ৰাণ হেৰুৱায়। আহমেদাবাদ বিমান বন্দৰৰ পৰা লণ্ডন অভিমুখে উৰা মৰাৰ ঠিক পাছতেই আহমেদাবাদৰ বি-জে মেডিকেল কলেজৰ কাষৰীয়া আবাসিক এলেকাত বিমানখন দুৰ্ঘটনাগ্ৰস্ত হয়।

০০০০০

গুৱাহাটীৰ বশিষ্ঠ আৰক্ষীয়ে আজি যোৰাবাটত অভিযান চলাই অবৈধভাৱে সৰবৰাহ কৰা ২৫০ বেগ চৰকাৰী ইউৰিয়া সাৰ জব্দ কৰে। ইউৰিয়া সাৰখিনি এখন গাড়ীৰে মেঘালয়লৈ লৈ যোৱা হৈছিল। আৰক্ষীয়ে ঘটনা সংক্ৰান্তত গাড়ীখনৰ চালক বৰপেটাৰ ছহিদুল খানক আটক কৰিছে।

০০০০০

বজালী জিলাৰ পাঠশালাৰ অপেচাদাৰী নাট্যগোষ্ঠী নাটমণ্ডল পাঠশালাই শিশু নাট কৰ্মশালাৰ আয়োজন কৰিছে। অহা ১ জুলাইৰ পৰা ৩১ জুলাইলৈ হবলগীয়া এই নাট কৰ্মশালাত অসমৰ বিভিন্ন প্ৰান্তৰ নাট প্ৰশিক্ষকে প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰিব। ৮ বছৰৰ পৰা ১৭ বছৰ বয়সৰ সকলো শিশু চেমনীয়াই নিৰ্ধাৰিত ভৰ্তি মাছুলেৰে এই কৰ্মশালাত যোগদান কৰিব পাৰিব। এই কৰ্মশালাত যোগদানৰ বাবে ৯৯৫৪৭৯৬২৪২ ফোন নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

০০০০০

অসম চৰকাৰৰ ধবজাবাহী আঁচনি অৰুণোদয়ৰ তৃতীয় পৰ্যায় সফলভাৱে ৰূপায়ণৰ বাবে আজি বৰপেটা জিলাত এখন পুনৰীক্ষণ বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত নতুন হিতাধীকাৰী বাচনিৰ বিষয়ত গুৰুত্ব দিয়া হয়। তদুপৰি পূৰ্বৰ পৰা থকা হিতাধিকাৰীৰ তালিকা পুনৰীক্ষণৰ পাছত নাম কৰ্তন হোৱা হিতাধিকাৰীৰ অভিযোগসমূহ পৰ্যালোচনা কৰা হয়। অৰুণোদয়ৰ এই পৰ্যায়ৰ হিতাধিকাৰীৰ তালিকাত যাতে কোনো ধৰণৰ আসোঁৱাহ নাথাকে তাৰ বাবে প্ৰয়াস কৰিবলৈ সংশ্লিষ্ট ব্যক্তিসকলক জিলা আয়ুক্তই নিৰ্দেশ দিয়ে।

০০০০০

ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইনে কালি ধুবুৰী আৰ্বত ভৱনত উপস্থিত হৈ ধুবুৰী জিলাৰ বিভিন্ন ঠাইত সাংসদ পুঁজিৰ ধনেৰে নিৰ্মিত কাম-কাজৰ পৰ্যালোচনা কৰে। তেওঁ জিলাখনৰ খহনীয়া প্ৰতিৰোধ আৰু বান নিয়ন্ত্ৰণ কৰাৰ লগতে সমগ্ৰ অসমৰে বান সমস্যা ৰাষ্ট্ৰীয় সমস্যা বুলি স্বীকৃতি দি ইয়াৰ সমাধানৰ বাবে প্ৰচেষ্টা চলাবলৈ চৰকাৰক আহ্বান জনায়। সাংসদ হুছেইনে কালি ধুবুৰী আৰৱ্ত ভৱনত ধুবুৰী জিলাৰ ক্ৰীড়া ক্ষেত্ৰ উন্নয়নৰ বাবে ক্ৰীড়া সন্থাৰ বিষয়ববীয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়।

০০০০০

সমাপ্ত